# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-05-2026
**Time :** 21-25 Hrs

## ASSAMESE  NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জনজাতীয় লোকসকলৰ মাজত চৰকাৰী কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে যোগ্য হিতাধিকাৰীক প্ৰাপ্য সুবিধা প্ৰদানৰ বাবে বিভিন্ন জিলাত **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে।

যোৰহাট জিলাত আজি দেশজুৰি আৰম্ভ হোৱা এই অভিযানৰ শুভাৰম্ভ কৰা হয়। যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত জয় শিৱানীয়ে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ২৫ মেলৈ চলিবলগীয়া এই বিশেষ সপ্তাহটোত জনজাতীয় লোকসকলৰ বাবে থকা বিভিন্ন চৰকাৰী কল্যানমূলক আঁচনিৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযান আৰু ধৰতি আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান আঁচনিৰ অধীনৰ সকলো গাঁৱতে বিশেষ হিতাধিকাৰী সংপৃক্তকৰণ শিবিৰ অনুষ্ঠিত কৰা হ'ব।

মাজুলী জিলাতো জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি আয়ুক্ত সৃষ্টি সিঙৰ উপস্থিতিত দেশজুৰি হ'বলগীয়া এই অভিযানৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়।

ডিব্ৰুগড় জিলাত আজি দেশজোৰা এই অভিযানৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত অভিযানৰ ৰূপায়ণ কৌশল, আন্তঃবিভাগীয় সমন্বয়, প্ৰসাৰ কাৰ্যসূচী আৰু নথি-পত্ৰ প্ৰস্তুতকৰণ সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ অধীনত গছপুলি ৰোপণ অভিযান, ক্ষেত্ৰভিত্তিক গাঁও পৰিদৰ্শন, জনশুনানি তথা অভিযোগ নিষ্পত্তি, স্বাস্থ্য শিবিৰ, প্ৰতিযেধক প্ৰদান শিবিৰকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। মৰিগাঁও, গোৱালপাৰা, দৰং জিলাতো আজি **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে।

oooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ অন্তিম তাৰিখ ২৪ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত আজি পৰিষদৰ এক নম্বৰ সংমণ্ডলৰ যুটীয়া সচিবে অধিসূচনা জাৰি কৰে। এই অনুসৰি ৩০ মে' পৰ্যন্ত বিদ্যালয়সমূহে পঞ্জীয়ন মাচুল জমা দিব পাৰিব। নিৰ্ধাৰিত সময়ত সকলো বিদ্যালয়ক ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। পৰৱৰ্তী সময়ত পঞ্জীয়নৰ সময় বৃদ্ধি কৰা নহ'ব বুলিও অধিসূচনাত উল্লেখ কৰা হৈছে।

আনহাতে, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি ৰাজ্যৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ গণিত আৰু সাধাৰণ বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়াৰ বাবে কোনো বাধা নাথাকিব বুলি এখন জাননী জাৰি কৰিছে। অৱশ্যে বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়াৰ সুবিধা সংশ্লিষ্ট বিদ্যালয়খনত থাকিব লাগিব বুলিও জাননীখনত স্পষ্ট কৰি দিয়া হৈছে। ইতিমধ্যে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়ন প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈছে।

যিসকল শিক্ষাৰ্থীয়ে দুয়োটা বিষয় ইংৰাজী মাধ্যমত পঢ়িব বিচাৰে তেওঁলোকৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়াত কোনো সাল সলনি কৰাৰ প্ৰয়োজন নহয় বুলিও পৰিষদে জনাইছে।

০০০০

সম্ভাব্য বিমান আক্ৰমণৰ সময়ত ল'বলগীয়া সাৱধানতামূলক ব্যৱস্থাসমূহৰ ওপৰত সজাগতা সৃষ্টিৰ লক্ষ্যৰে কাইলৈ সন্ধিয়া উত্তৰ লখিমপুৰ নগৰত জৰুৰীকালীন অনুশীলনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে জাৰি কৰা জাননী অনুসৰি কাইলৈ সন্ধিয়া ৬ বাজি ১৫ মিনিটৰ পৰা ৭ বাজি ১৫ মিনিটৰ ভিতৰত এই প্ৰস্তুতিমূলক আখৰা কৰা হ'ব। সেয়েহে এই সময়ছোৱাত বিপদ সংকেত বাজি উঠাৰ লগে লগে সকলো লাইট নুমুৱাই দি পুনৰ চাইৰেন বাজি নুঠালৈকে অঞ্চলটো আন্ধাৰ কৰি ৰাখিবৰ বাবে জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। এই প্ৰস্তুতিমূলক আখৰা সফল কৰি তুলিবৰ বাবে জিলা প্ৰশাসনে লখিমপুৰবাসীৰ সহায়-সহযোগিতা কামনা কৰিছে।

০০০০

ৰাজ্যত পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছকে ধৰি পেট্ৰ'লিয়মজাত সামগ্ৰী মজুত আছে আৰু ৰাজ্যখনত যোগান সুস্থিৰ অৱস্থাত আছে। ভাৰতীয় তেল নিগম লিমিটেডে আজি এই বিষয়ে প্ৰকাশ কৰে। প্ৰতিষ্ঠানটোৰ গুৱাহাটী ৰাজ্যিক কাৰ্যালয়ৰ কাৰ্যবাহী সঞ্চালক আৰু ৰাজ্যিক মুৰব্বীয়ে আজি এই বিষয়ে সদৰি কৰি কয়, যে টাৰ্মিনেল আৰু ডিপ'ৰ পৰা আৰম্ভ কৰি খুচুৰা বিপণীলৈকে ইন্ধনৰ যোগান প্ৰক্ৰিয়াত কোনো ব্যাঘাত সৃষ্টি হোৱা নাই। প্ৰতিষ্ঠানটোৱে জনসাধাৰণক ইন্ধনৰ নিৰৱচ্ছিন্ন যোগানৰ বিষয়ত নিশ্চিত হৈ থকাৰ লগতে আতংকিত নহ'বলৈ আহ্বান জনায়।

০০০০

ওদালগুৰি জিলা কাৰাগাৰত আজি অসম কৰ্কট কেয়াৰ ফাউণ্ডেচনৰ উদ্যোগত কাৰাবন্দী আৰু জিলা কাৰাগাৰৰ কৰ্মচাৰী সকলৰ বাবে সজাগতা সভা আৰু নিৰীক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ড০ চৈয়দ ইফতিকাৰ চৌভানীয়ে কৰ্কট ৰোগৰ লক্ষণ আৰু সাৱধানতা সম্পৰ্কে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ওদালগুৰি জিলা কাৰাগাৰৰ কাৰাধ্যক্ষ জ্যোতি প্ৰসাদ শৰ্মাই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ পদক্ষেপক আদৰণি জনায়।

০০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত কাইলৈ গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও এই অনুষ্ঠানত উপস্থিত থাকিব। কাইলৈৰ বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজ মূল্যায়ণ কৰা হ'ব। তদুপৰি বহনক্ষম জলসংৰক্ষণৰ প্ৰচাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত আৰু থলুৱা জল ব্যৱস্থাপনা পদ্ধতিৰ সম্পৰ্কীয় গ্ৰন্থ আৰু তথ্যচিত্ৰ মুকলি কৰা হ'ব। উল্লেখযোগ্য যে, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এই উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ পুনৰ গঠনৰ পাছত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

০০০০

ঃ সমাপ্ত ঃঃ